মহাকুম্ভমেলাৰ বৃহৎ সফলতাক সাৰোগত কৰি অসমকো আধ্যাত্মিক পৰ্যটনৰ ক্ষেত্ৰত জিলিকাই তুলিব লাগিব।

— কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❒ যোৰহাট সংস্কৰণ ❒ মুঠ পৃষ্ঠা ১২

চতুৰ্দশ বছৰ সংখ্যা ৯৪ দেওবাৰ ৩ ফাগুন ১৯৪৬শক ১৬ ফেব্ৰুৱাৰী ২০২৫ চন ASOMIYA KHABAR JORHAT SUNDAY 16 FEBRUARY 2025 দাম: ৭.০০ টকা




❒ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত জাছিংফা ১.০ ত সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী ❒

## গ্ৰন্থ অধ্যয়নে জীৱন মহীয়ান কৰি তোলে



ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৫ ফেব্ৰুৱাৰী: 'গ্ৰন্থ অধ্যয়নে জীৱন মহীয়ান কৰি তোলে।' ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ টাই আহোম ছাত্ৰ সমাজৰ উদ্যোগত জাছিংফা ১.০ শীৰ্ষক সমাৰোহৰ গ্ৰন্থমেলা উদ্বোধন কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আজি এইদৰে কয়। ড° গোস্বামীয়ে কয়— কিতাপ বা গ্ৰন্থ যিসকলে অধ্যয়ন কৰে সেইসকলে জীৱনকো মহৎ আৰু মহীয়ান কৰি তুলিব পাৰে। তেওঁ কয়—অসমত পাঠকৰ জৰীপ হোৱা উচিত। কি কিতাপ, কেনেকুৱা ধৰণৰ কিতাপ পঢ়িব লাগে সেইসমূহৰ আজিলৈকে জৰীপ হোৱা নাই। ইয়াৰ জৰীপ হোৱা প্ৰয়োজন। সভপতিগৰাকীয়ে কয়—পাঠকে কি কিতাপ পঢ়ি ভাল পায় সেই বিষয়ে আলোচনা হোৱাতকৈ কি কিতাপ পঢ়া উচিত সেই বিষয়ে আলোচনা কৰা প্ৰয়োজন। তেওঁ কয়—গ্ৰন্থৰ মূল্য বুজি পোৱা পাঠকে নিৰ্দিষ্ট গ্ৰন্থ বাৰে বাৰে পঢ়ে। নতুন প্ৰজন্মই গ্ৰন্থ অধ্যয়নৰ লগতে সমালোচনা কৰিব লাগে। কিতাপেই আমাৰ জীৱনৰ আটাইতকৈ শক্তিশালী বন্ধু, যিয়ে আমাক কেতিয়াও বিশ্বাসঘাটকতা নকৰে বুলি মত প্ৰকাশ কৰি তেওঁ কয়, গ্ৰন্থই আমাৰ মানসিক স্বাস্থ্য শক্তিশালী কৰে। অধ্যাপক দৰ্পণজিৎ কোঁৱৰে সভাপতিত্ব কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়—'গ্ৰন্থমেলা হ'ল জ্ঞান, কল্পনা আৰু সৃষ্টিশীল চিন্তা-চেতনাৰ উৎসৱ। এনে উৎসৱে ভাষা, সংস্কৃতি, জাতীয় চিন্তা-চেতনা আৰু জ্ঞানপিপাসুসকলক প্ৰভাৱিত কৰে। অধ্যক্ষগৰাকীয়ে কয়—এনেধৰণৰ বাৰেৰহণীয়া কাৰ্যসূচীৰ সমান্তৰালকৈ এখন গ্ৰন্থমেলা আয়োজন কৰাতো বুদ্ধিদীপ্ত চিন্তা-চেতনাৰে ফচল। গ্ৰন্থমেলা আয়োজন কৰাতো অতি উত্তম হোৱা বুলি উল্লেখ কৰি তেওঁ কয়—এনে কাৰ্যসূচীয়ে সাংস্কৃতিক বিকাশৰ লগে লগে সমাজত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰিব। গ্ৰন্থপ্ৰেমীসকলক উৎসাহিত কৰাৰ এনে এক পৰিৱেশক ধন্যবাদ জনাই তেওঁ কয়—গ্ৰন্থমেলাৰ দৰে কাৰ্যসূচী মানুহৰ মননশীল চিন্তা-চেতনাৰ এক মঞ্চ হৈ আহিছে। নতুন লেখকসকলক এনে কাৰ্যসূচীয়ে অনুপ্ৰেৰণা যোগাব আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাসত ভাষা, সংস্কৃতি ইতিহাসৰ এক অসীম জগতৰ দুৱাৰ মুকলি কৰিব। গ্ৰন্থমেলা কেৱল কিতাপ ক্ৰয়-বিক্ৰয় কৰাৰ স্থান নহয়, ই হ'ল মননশীলতা আৰু জ্ঞান, প্ৰজ্ঞাৰ আদান-প্ৰদানৰ এক মঞ্চ। নতুন লেখক আৰু পাঠকসকলে এনে গ্ৰন্থমেলা বা সমাৰোহৰপৰা অনুপ্ৰেৰণা, সুযোগ আৰু কলমৰ শক্তিৰ ওপৰত কিছু অনুভৱ, উপলব্ধি লাভ কৰিব। সেইসকলৰ বাবে ই এক সম্পদ হ'ব পাৰে বুলিও তেওঁ কয়। বিশিষ্ট সাহিত্যিক কৰবী ডেকা হাজৰিকাও ১৫ ফেব্ৰুৱাৰীৰপৰা ২০ ফেব্ৰুৱাৰীলৈ ছয়দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই গ্ৰন্থ বিপণীৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে অংশ গ্ৰহণ কৰি মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক সন্তোষ দত্ত, কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তুফেল জিলানীৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে এই গ্ৰন্থমেলাত বহুসংখ্যক গ্ৰন্থ বিপণীয়ে অংশ গ্ৰহণ কৰিছে।